**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 04-05-2026
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***

:::::::::::::::::::::::::::::::::::::::::::::

১। অসম, পশ্চিমবংগত বিজেপি, তামিলনাডুত টি ভি কে, কেৰালামত কংগ্ৰেছ আৰু পুডুচেৰীত এ আই এন আৰ চি আৰু মিত্ৰজোট চৰকাৰ গঠনৰ দিশে আগবাঢ়িছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অসমত বিজেপি নেতৃত্বাধীন এন ডি এৰ বিজয়ক অসমৰ ৰাইজে উন্নয়নৰ পক্ষে দিয়া ৰায়দান বুলি মন্তব্য কৰিছে।

৩। কেন্দ্ৰীয় চৰকাৰে দেশত ৰন্ধন গেছৰ নাটনি হোৱা নাই বুলি প্ৰকাশ কৰিছে আৰু বাণিজ্যিক ৰন্ধন গেছৰ যোগান প্ৰায় ৭০ শতাংশ পূৰ্বৰ অৱস্থালৈ ঘুৰি আহিছে। *আৰু*

৪। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত কিছুসময় পাছতে মুম্বাই ইণ্ডিয়ানছ-লক্ষ্ণৌ চুপাৰ জায়েণ্টছৰ মুখামুখি হ'ব।

ooooo

দেশৰ ৪ খন ৰাজ্য আৰু এখন কেন্দ্ৰীয় শসিত অঞ্চলৰ বিধানসভা নিৰ্বাচনৰ ভোটগণনা অব্যাহত আছে। বহু জল্পনা কল্পনাৰ অন্তত পশ্চিমবংগৰ বিধানসভা নিৰ্বাচনৰ ভোটগণনা অনুসৰি ৰাজ্যখনত বিজেপি, চৰকাৰ গঠনৰ দিশে আগবাঢ়িছে। উল্লেখযোগ্য যে স্বাধীনতাৰ পিছত এইবেলি প্ৰথমবাৰৰ বাবে ৰাজ্যখনত বিজেপিৰ চৰকাৰ গঠন হ'ব। আনহাতে, অসম আৰু পুডুচেৰীত শাসনাধিস্থিত দলসমূহে বিজয়ৰ দিশে আগবাঢ়িছে। তামিলনাডুত অভিনেতাৰ পৰা ৰাজনীতি জগতত ভৰি থোৱা বিজয়ৰ দলৰ টি ভি কে চৰকাৰ গঠনৰ দিশে আগবাঢ়িছে। কেৰালামত কংগ্ৰেছৰ নেতৃত্বত ইউ দি এফ চৰকাৰ গঠনৰ দিশে আগবাঢ়িছে। বিধানসভাৰ উপ নিৰ্বাচনত বিজেপিয়ে গুজৰাট, ত্ৰিপুৰা আৰু নাগালেণ্ডত এখনকৈ আসনত জয়লাভ কৰাৰ বিপৰীতে কংগ্ৰেছে কৰ্ণাটকত এখন আসন লাভ কৰিছে।

পশ্চিমবংগৰ ২৯৪ খন আসনৰ ভিতৰত ২৯৩ খনৰ ভোটগণনা চলি আছে। সেই অনুসৰি এতিয়ালৈ ৬১ খন আসনৰ ফলাফল ঘোষিত হৈছে। ইয়াৰ ভিতৰত বিজেপিয়ে ৪৮ খন আসনত জয়লাভ কৰাৰ বিপৰীতে তৃণমূল কংগ্ৰেছে ১৩ খন আসনত জয়লাভ কৰিছে। পশ্চিমবংগৰ আচানচল দক্ষিণ সমষ্টিৰ পৰা বিজেপিৰ অগ্নিমিত্ৰ পল আৰু ভটৰ আসনৰ পৰা কাৰফা সৌমেনে জয়লাভ কৰিছে। আনহাতে, ভগৱান গোলা আসনৰ পৰা তৃণমূল কংগ্ৰেছৰ ৰেয়াৰ হুছেইন সৰকাৰে জয়লাভ কৰিছে। বাকী থকা আসনকেইখনৰ ভিতৰত ১৫৩ খনত বিজেপি, ৭৩ খন তৃণমূল কংগ্ৰেছ, এখনত চি পি এম, দুখনত কংগ্ৰেছ আৰু অন্যান্য ৩ খনত আগবাঢ়ি আছে। ভৱানীপুৰ সমষ্টিত পশ্চিমবংগৰ মুখ্যমন্ত্ৰী তথা তৃণমূল কংগ্ৰেছৰ নেত্ৰী মমতা বেনাৰ্জী তেওঁৰ বিজেপিৰ প্ৰতিদ্বন্দী শুবেন্দু অধিকাৰীতকৈ আগবাঢ়ি আছে। অৱশ্যে নন্দীগ্ৰাম আসনত শুবেন্দু অধিকাৰী আগবাঢ়ি আছে। নওদা আৰু ৰেজিনগৰ আসন দুখনৰ পৰা আম জনতা উন্নয়ন পাৰ্টী এ জে ইউ পিৰ মুৰব্বী হুমায়ুন কবিৰ আগবাঢ়ি আছে।

অসমত শাসনাধিস্থিত বিজেপি চৰকাৰ তৃতীয়বাৰৰ বাবে ক্ষমতালৈ অহাৰ বাবে সাজু হৈছে। ৰাজ্যখনৰ ১২৬ খন বিধানসভা আসনৰ ভিতৰত এতিয়ালৈ ৮৬ খনৰ ফলাফল ঘোষিত হৈছে। এই অনুসৰি বিজেপিয়ে ৬২ খন আসনত আৰু মিত্ৰদল অগপ ৬ খন আসনত তথা বড়োলেণ্ড পিপলছ ফ্ৰণ্টে ৮ খন আসনত জয়লাভ কৰিছে। আনহাতে, কংগ্ৰেছে ৭ খন আৰু এ আই ইউ দি এফ তথা টি এম চিয়ে এখনকৈ আসনত জয়লাভ কৰিছে। যোৰহাট আসনৰ পৰা বিজেপি প্ৰাৰ্থী হীতেন্দ্ৰ নাথ গোস্বামীয়ে অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈক পৰাস্ত কৰে। কৃষি মন্ত্ৰী তথা অগপ নেতা অতুল বৰাই বোকাখাট আসনৰ পৰা জয়লাভ কৰিছে। বিত্তমন্ত্ৰী অজন্তা নেওগে এইবেলি ষষ্ঠবাৰৰ বাবে গোলঘাট আসনৰ পৰা জয়লাভ কৰিছে।

বাকী থকা ৪০ খন আসনৰ ভিতৰত বিজেপি ২০ খনত, মিত্ৰদল অগপ ৩ খনত আৰু বি পি এফ ২ খনত আগবাঢ়ি আছে। আনহাতে, কংগ্ৰেছে ১২ খন আসনত আৰু এ আই ইউ দি এফ, ৰাইজৰ দল তথা অন্যান্যই এখনকৈ আসনত আগবাঢ়ি আছে। বিজেপি নেতা তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা জালুকবাৰী সমষ্টিত তেওঁৰ নিকটতম প্ৰতিদ্বন্দি কংগ্ৰেছৰ বিদিশা নেওগতকৈ আগবাঢ়ি আছে।

কেৰালামৰ ১৪০ খন আসনৰ ভিতৰত কংগ্ৰেছে ৫৫ খন আসনত জয়লাভ কৰাৰ বিপৰীতে আন ৮ খন আসনত আগবাঢ়ি আছে। কংগ্ৰেছৰ মিত্ৰদল আই ইউ এম এলে ১৫ খন আসনত জয়লাভ কৰাৰ লগতে আন ৭ খনত আগবাঢ়ি আছে। ৰাজ্যখনত শাসনাধিস্থিত চি পি এম দলে ২২ খন আসনত জয়লাভ কৰাৰ বিপৰীতে ৪ খনত আগবাঢ়ি আছে। চি পি এমৰ মিত্ৰদল চি পি আইয়ে ৭ খন আসনত জয়লাভ কৰাৰ লগতে আন এখনত আগবাঢ়ি আছে। ইপিনে, কেৰালা কংগ্ৰেছ দলে ৬ খন আসনত জয়লাভ কৰাৰ লগতে আন এখনত আগবাঢ়ি আছে।

উল্লেখযোগ্য যে ধৰ্মদাম সমষ্টিৰ পৰা ৰাজ্যখনৰ মুখ্যমন্ত্ৰী তথা চিপি এমৰ নেতা পিনাৰায় বিজয়ন ১৯ হাজাৰ ভোটত আগবাঢ়ি আছে। আনহাতে, নেমম সমষ্টিৰ পৰা প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপিৰ ৰাজ্যিক সভাপতি ৰাজীৱ চন্দ্ৰশেখৰ তেওঁৰ নিকটতম প্ৰতিদ্বন্দী তথা ৰাজ্যখনৰ শিক্ষামন্ত্ৰী আৰু জ্যেষ্ঠ চি পি আই এম নেতা ভি শিৱানকুট্টিতকৈ ৪ হাজাৰতকৈও অধিক ভোটত আগবাঢ়ি আছে।

অভিনয় জগতৰ পৰা ৰাজনীতি জগতত প্ৰৱেশ কৰা বিজয়ৰ নেতৃত্বত তামিলাগা ৱেত্ৰী কাঝাগম টি ভি কে দলে ইতিহাস সৃষ্টি কৰি তামিলনাডু বিধানসভা নিৰ্বাচনত একক সংখ্যাগৰিষ্ঠতা লাভ কৰাৰ দিশে আগবাঢ়িছে। দলটোৱে ৰাজ্যখনৰ ২৩৪ টা সমষ্টিৰ ভিতৰত ৭৫ খন আসনত আগবাঢ়ি থকাৰ বিপৰীতে ৩৩ খন আসনত ইতিমধ্যে জয়লাভ কৰিছে। ৰাজ্যখনত এইবেলি বিধানসভা নিৰ্বাচনৰ ত্ৰিকোণীয় যুজখন আকৰ্ষণীয় হৈ উঠা পৰিলক্ষিত হৈছে। এতিয়ালৈ ৫১ খন আসনৰ ফলাফল ঘোষিত হোৱাৰ বিপৰীতে ১৮৩ খন আসনত ভোটগণনা অব্যাহত আছে। নিৰ্বাচন আয়োগে প্ৰকাশ কৰা অনুসৰি মুখমন্ত্ৰী এম কে ষ্টেলিনৰ নেতৃত্বৰ শাসনাধিস্থিত ডি এম কে দলে ৪৯ খন আসনত আগবাঢ়ি থকাৰ বিপৰীতে এতিয়ালৈ ৯ খন আসনত জয়লাভ কৰিছে। আনহাতে এ আই এ দি এম কে দল ৪০ খন আসনত আগবাঢ়ি থকাৰ লগতে ছখন আসনত জয়লাভ কৰিছে। পি এম কে দল ৪ খন আসনত আগবাঢ়ি থকাৰ লগতে এখন আসনত আগবাঢ়ি আছে। কংগ্ৰেছ ৪ খন আসনত আগবাঢ়ি থকাৰ বিপৰীতে ইতিমধ্যে এখন আসনত জয়লাভ কৰিছে। আনহাতে, বিজেপি ২ খন আসনত আগবাঢ়ি থকাৰ লগতে অন্যান্য দল ১০ খন আসনত আগবাঢ়ি আছে। পেৰামবুৰ আৰু পুব তিৰুচি সমষ্টিৰ পৰা টি ভি কেৰ মুৰব্বী বিজয় আগবাঢ়ি আছে।

পুডুচেৰীত এন ৰংগস্বামীৰ নেতৃত্বৰ এ আই এন আৰ চি আৰু মিত্ৰজোটৰ এন দি এ চৰকাৰ গঠন হোৱাৰ দিশে আগবাঢ়িছে। অঞ্চলটোৰ ৩০ খন আসনৰ ভিতৰত ২০ খন আসনৰ ফলাফল ঘোষিত হৈছে। নিৰ্বাচন

আয়োগে প্ৰকাশ কৰা অনুসৰি এ আই এন আৰ চিয়ে ৯ খন আসনত জয়লাভ কৰাৰ বিপৰীতে আন দুখন আসনত আগবাঢ়ি আছে। আনহাতে, বিজেপিয়ে দুখন আসনত জয়লাভ কৰাৰ বিপৰীতে আন দুখনত আগবাঢ়ি আছে। এ আই এ ডি এম কে, কংগ্ৰেছ এখনকৈ আসনত আৰু ডি এম কে দুখন আসন জয়লাভ কৰাৰ লগতে কংগ্ৰেছে দুখন আসনত আৰু ডি এম কে আন দুখন আসনত আগবাঢ়ি আছে। টি ভি কে ইতিমধ্যে দুখন আসনত জয়লাভ কৰাৰ লগতে এন এম কে আৰু এল জে কে এখনকৈ আসনত জয়লাভ কৰিছে। নিৰ্দলীয় প্ৰাৰ্থীয়ে ৩ খন আসনত জয়লাভ কৰিছে। মুখ্যমন্ত্ৰী এম ৰংগস্বামী থাত্তানচ্ছাৱাদী সমষ্টিৰ পৰা পুনৰ নিৰ্বাচিত হৈছে।

ইপিনে, ৫ খন ৰাজ্যৰ ৭ টা সমষ্টিত হোৱা উপ নিৰ্বাচনত বিজেপিয়ে গুজৰাট, ত্ৰিপুৰা আৰু নাগালেণ্ডত এখনকৈ আসন জয়লাভ কৰাৰ বিপৰীতে মহাৰাষ্ট আৰু কৰ্ণাটকত এখনকৈ আসনত আগবাঢ়ি আছে। আনহাতে, কংগ্ৰেছে কৰ্ণাটকত দুখন আসনত জয়লাভ কৰাৰ বিপৰীতে মহাৰাষ্ট্ৰ, বিজেপি মিত্ৰজোট এন চি পিয়ে উপ নিৰ্বাচন হোৱা আন সমষ্টিত আগবাঢ়ি আছে। ত্ৰিপুৰাৰ ধৰ্মনগৰ সমষ্টিত বিজেপিৰ জহৰ চক্ৰৱৰ্তীয়ে তেওঁৰ প্ৰতিদ্বন্দী চি পি আই এমৰ অমিতাভা দত্তক ১৮ হাজাৰ ২৯০ টা ভোটৰ ব্যৱধানত পৰাস্ত কৰে। নাগালেণ্ডৰ কৰিদাং বিধানসভা সমষ্টিত বিজেপিৰ দাউচ্চিৰ আই ইমচেনে নিৰ্দলীয় প্ৰাৰ্থী টৌচিকাবাক ৩ হাজাৰ ১২৩ টা ভোটৰ ব্যৱধানত পৰাস্ত কৰে। গুজৰাটৰ উমৰেথ সমষ্টিত বিজেপিৰ হৰ্ষদভাই গোবিন্দভাই পাৰ্মাৰে ৩০ হাজাৰ ৭৪৩ টা ভোটৰ ব্যৱধানত জয়লাভ কৰে। কৰ্ণাটকৰ বাগলকোট সমষ্টিৰ পৰা কংগ্ৰেছ প্ৰাৰ্থী উমেশ হুলাপ্পা মেটিয়ে ২২ হাজাৰতকৈ অধিক ভোটৰ ব্যৱধানত জয়লাভ কৰে। দক্ষিণ দেৱনাগুৰি সমষ্টিত কংগ্ৰেছৰ সমৰ্থ সামানুৰ মল্লিকাৰ্জুনে বিজেপিৰ শ্ৰীনিৱাস টি দশকাৰীয়াপ্পাক ৫ হাজাৰতকৈ অধিক ভোটত পৰাস্ত কৰে। মহাৰাষ্ট্ৰৰ বাৰামতী সমষ্টিৰ পৰা উপ মুখ্যমন্ত্ৰী এন চি পিৰ সুনেত্ৰ অজিত পাৱাৰে ২ লাখতকৈ অধিক ভোটৰ ব্যৱধানত আগবাঢ়ি আছে। আনহাতে, ৰাহুৰিত বিজেপিৰ অক্ষয় শিৱাজী ৰাও কাৰ্দিলেয়ে এন চি পিৰ মোকাটে গোবিন্দ খান্দুক এক লাখ ১২ হাজাৰতকৈ অধিক ভোটত পৰাস্ত কৰে। ০০০০০

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অসমত বিজেপি নেতৃত্বাধীন এন ডি এৰ বিজয়ক অসমৰ ৰাইজে উন্নয়নৰ পক্ষে দিয়া ৰায়দান বুলি মন্তব্য কৰিছে। তেওঁ এই জনমতৰ বাবে অসমৰ ৰাইজক ধন্যবাদ জ্ঞাপন কৰি ভৱিষ্যতেও অসমৰ ৰাইজৰ বাবে বিজেপি দলে কাম কৰি যাব বুলি প্ৰকাশ কৰে।

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে পশ্চিমবংগত বিজেপি জয়ৰ দিশে অগ্ৰসৰ হোৱা কথাটোৱে ৰাজ্যখনৰ জনসাধাৰণৰ বিকাশ, সুপ্ৰশাসন আৰু স্বচ্ছ ৰাজনীতিৰ প্ৰতি সমৰ্থনক সূচাইছে বুলি মন্তব্য কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত ৰাজ্যখনৰ জনগণ শান্তি, সমৃদ্ধি আৰু উন্নয়নৰ পথ বাচি লোৱা বুলি উল্লেখ কৰিছে। আনহাতে, অসমত তৃতীয়বাৰৰ বাবে বিজেপিয়ে সংখ্যাগৰিষ্ঠতা লাভৰ দিশে অগ্ৰসৰ হোৱা বিষয়টোৱে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ভৱিষ্যদৰ্শী আৰু পাৰদৰ্শি নেতৃত্বৰ প্ৰতি জনসাধাৰণৰ বিশ্বক প্ৰতিফলিত কৰা বুলি তেওঁ উল্লেখ কৰে।

পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়েও পশ্চিমবংগৰ বিজেপিৰ বৃহৎ জয়ক কাৰ্যকৰ্তাসকলৰ বাবে আবেগিক মুহুৰ্ত বুলি প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত মন্ত্ৰীগৰাকীয়ে এই বিজয়ৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক অভিনন্দন জ্ঞাপন কৰিছে।

০০০০০

কেন্দ্ৰীয় চৰকাৰে দেশত ৰন্ধন গেছৰ নাটনি হোৱা নাই বুলি প্ৰকাশ কৰিছে আৰু বাণিজ্যিক ৰন্ধন গেছৰ যোগান প্ৰায় ৭০ শতাংশ পূৰ্বৰ অৱস্থালৈ ঘুৰি আহিছে। নতুন দিল্লীত আজি এখন আন্তঃমন্ত্ৰালয় সংবাদমেলত প্ৰাকৃতিক গেছ মন্ত্ৰালয়ৰ যুটীয়া সচিব সুজাতা শৰ্মাই কয় যে এপ্ৰিল মাহত ২ লাখ ১৫ হাজাৰ টনতকৈ অধিক বাণিজ্যিক ৰন্ধন গেছ বিক্ৰী হৈছে। শ্ৰীমতী শৰ্মাই কয় যে যোৱা মাহত ৫ কিলোগ্ৰামৰ চিলিণ্ডাৰ ২৩ লাখৰো অধিক বিক্ৰী হৈছে। বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰালয়ৰ সঞ্চালক অপেশ কুমাৰ শৰ্মাই কয়, যে সকলো ভাৰতীয় নাবিক সুৰক্ষিত হৈ আছে আৰু কোনো ধৰণৰ অপ্ৰীতিকৰ ঘটনা ঘটাৰ বাতৰি পোৱা হোৱা নাই। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ অতিৰিক্ত সচিব আৰ মহাজনে কয় যে বিমান পৰিবহনৰ বাবে সামগ্ৰিক পৰিস্থিতি উন্নত হৈছে।  যুদ্ধজৰ্জৰ অঞ্চলটোৰ পৰা ভাৰতৰ বিভিন্ন ঠাইলৈ অতিৰিক্ত বিমান চলাচল কৰোৱা হৈছে।

বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰালয়ে প্ৰকাশ কৰে যে সংঘৰ্ষজৰ্জৰ অঞ্চলত যোৱা ২৪ ঘণ্টাত কোনো ভাৰতীয় জাহাজ তথা ভাৰতীয় পতাকা থকা জাহাজ সম্পৰ্কীয় নেতিবাচক ঘটনাৰ তথ্য লাভ কৰা হোৱা নাই। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে ভাৰতীয় সম্প্ৰদায়ৰ লোকসকলৰ নিৰাপত্তা আৰু কল্যান সুনিশ্চিত কৰাৰ উদ্দেশ্যে এই অঞ্চলটোৰ গতিবিধি অবিৰতভাৱে লক্ষ্য কৰি আছে বুলিও মন্ত্ৰালয়ে প্ৰকাশ কৰে। ০০০০

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত  কিছুসময় পাছতে মুম্বাই ইণ্ডিয়ানছ-লক্ষ্ণৌ চুপাৰ জায়েণ্টছৰ মুখামুখি হ'ব।  মুম্বাই ইণ্ডিয়ানছে টছত জিকি প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত লৈছে।

০০০০০

ঃঃ সমাপ্ত ঃঃ